**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ।

২। ৰাজ্যৰ জ্যেষ্ঠ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাসগৃহত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ।

৩। নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা।

৪। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি জৈন ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ উৎসৱ মহাবীৰ জয়ন্তী পালন। **আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ ৮ উইকেটত জয়লাভ।

oooooo

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ধেমাজিৰ গোগামুখ আৰু বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে অসমত উপস্থিত হ'ব। ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

বিজেপিৰ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং কাইলৈ অসমলৈ আহিব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজ নিৰ্বাচনী প্ৰচাৰৰ বাবে যোৱানিশা যোৰহাটত উপস্থিত হৈছে।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ দেৱব্ৰত শইকীয়া, লুৰিণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। ২ এপ্ৰিলত কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰচাৰ চলাব। মুখ্যমন্ত্ৰীয়ে ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত ভাগ ল'ব। তেওঁ কালি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূৱন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিয়লি নাওবৈচা, চিচিবৰগাওঁ আৰু শদিয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সন্ধিয়া মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ত এটা ৰোড শ্ব'ত ভাগ লৈ জনসাধাৰণক সম্বোধন কৰে।

বাক্সা জিলাৰ চৰাইমাৰীত কালি বাক্সা সমষ্টিৰ এন ডি এ সমৰ্থিত প্ৰাৰ্থী বি পি এফৰ মনেশ্বৰ ব্ৰহ্মাই প্ৰচাৰ চলায়। কামৰূপ মহানগৰ জিলাৰ ৫টা সমষ্টিতে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈছে। ডিমৰীয়া সমষ্টিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী ড° তপন দাসে নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে যোৰাবাটত কালি নিৰ্বাচনী কাৰ্য্যালয় মুকলি কৰে। দিছপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বেলতলাৰ পুৰেৰুণ সংঘৰ বাকৰিত এখন জনসভাত অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাই ভাস্কৰ নগৰৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়। দিছপুৰ সমষ্টিত

কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ আৰু নিউ গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী শান্তনু বৰাই সমষ্টিটোৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। উল্লেখযোগ্য যে বিজেপিৰ জ্যেষ্ঠনেত্ৰী তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি দলৰ সংকল্পপত্ৰ মুকলি কৰিব। এই সন্দৰ্ভত দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এইদৰে কয় –

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

কংগ্ৰেছ দলৰ নেতা দেৱব্ৰত শইকীয়াই নাজিৰা সমষ্টিত প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে দলৰ নেতা ৰিপুণ বৰাই বৰছলা পুঠিমাৰী অঞ্চলত প্ৰচাৰ কাৰ্য্যসূচী ৰূপায়ণ কৰে। বিৰোধী ঐক্যৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ দুলীয়া কাকতি মণ্ডল আৰু বৰবৰুৱা মণ্ডলত প্ৰচাৰ চলায়। ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে কালি শিৱসাগৰ সমষ্টিত নামতি আলি পঞ্চায়তত বিৰোধী মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰত অংশ গ্ৰহণ কৰে।

**A I M I M** দলৰ সভাপতি আছাদুদ্দিন ওৱেইছীয়ে অহা ২ এপ্ৰিলত ৰূপহীহাট, চামগুৰি, দলগাওঁ, ধিং, লাহৰীঘাটত আৰু ৩ এপ্ৰিলত বিন্নাকান্দি, গোৱালপাৰা পূব, ধুবুৰী, চেঙা আৰু মন্দিয়াত এ আই ইউ ডি এফৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

oooooo

ৰাজ্যৰ ৮৫ বছৰ বয়সৰ ঊৰ্ধৰ আৰু বিশেষভাৱে সক্ষম ২৬ হাজাৰ যোগ্য ভোটদাতাৰ বাবে বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি আৰম্ভ কৰা হয়। এই প্ৰক্ৰিয়াৰ অংশ হিচাপে নিৰ্বাচনী বিষয়া-কৰ্মচাৰীয়ে জ্যেষ্ঠ নাগৰিকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ কৰিছে। বিশেষভাৱে সক্ষম ভোটদাতাৰ ঘৰতো ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰিটাৰ্নিং বিষয়াসকলে অনুমোদন দিয়া মুঠ ১৯ হাজাৰ ৭৭৪ গৰাকী জ্যেষ্ঠ নাগৰিক আৰু ছহেজাৰ ৬৩৮ গৰাকী বিশেষভাৱে সক্ষম লোকৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। অসমৰ উপৰি কেৰালাম আৰু পুডুচেৰীত ৫ এপ্ৰিলৰ পূৰ্বে এই ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ভোটগ্ৰহণকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ সময়ত কোনো ভোটদাতা বাসগৃহত উপস্থিত নাথাকিলে দ্বিতীয়বাৰৰ বাবে গৈ ভোটগ্ৰহণ কৰিব লাগিব বুলি কোৱা হৈছে।

বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ ৮৫ বছৰ উৰ্ধৰ আৰু দিব্যাংগ লোকৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। বৰপেটাত বিশেষভাৱে গঠিত ২২টা ভোটগ্ৰহণকাৰী দল মাধৱ চৌধুৰী মহাবিদ্যালয়ত স্থাপন কৰা ইভিএম বিতৰণ কেন্দ্ৰৰ পৰা ৰাওনা হয়। বিয়লি তেওঁলোকে প্ৰথম দিনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত কৰি পুনৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ উভতি আহে। বৰপেটা নিৰ্বাচনী জিলাৰ চাৰিটা বিধানসভা সমষ্টি ক্ৰমে বৰপেটা, চেঙা, মন্দিয়া আৰু পাকাবেতবাৰীত মুঠ ৫৫৯গৰাকী ভোটাদাতাৰ ঘৰত ভোটগ্ৰহণ কৰা হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰে।

কাৰ্বি আংলং জিলাতো গৃহ ভোটদান প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হৈছে। জিলা প্ৰশাসনে চিনাক্ত কৰা দিব্যাংগ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাসগৃহলৈ গৈ বিষয়াসকলে ভোটগ্ৰহণৰ ব্যৱস্থা কৰিছে।

চিৰাং জিলাত আজিৰেপৰা এই ভোটদান প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। জিলাখনত মুঠ ৫১৯ গৰাকী ভোটদাতাই এই সুবিধা লাভ কৰিব।

দৰং জিলাতো বিধানসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলৰ বাসগৃহৰ পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত এগৰাকী ভোটগ্ৰহণকাৰী বিষয়াই এইদৰে কয় –

**বাইট**

০০০০০০

বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যজুৰি নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। প্ৰথমবাৰৰ বাবে এটা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। গৃহৰক্ষী আৰু বিভিন্ন পদৰ বিষয়াকে ধৰি ৭৪ হাজাৰৰো অধিক অসম আৰক্ষীৰ বিষয়া জোৱানক নিয়োগ কৰা হৈছে। ইপিনে আন্তঃৰাজ্যিক আৰু আন্তঃজিলা সীমান্তত চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থাৰ উপৰি তালাচী অভিযান তীব্ৰতৰ কৰি তোলা হৈছে। ৰাজ্যৰ ১৩৪টা সীমান্ত পহৰা চকীত অহৰ্নিশে ফ্লায়িং স্কোৱাডে সূক্ষ্মভাৱে তালাচী অভিযান চলাই আছে।

বিভিন্ন স্থানত চলোৱা অভিযানত বিভিন্ন সামগ্ৰীৰ লগতে নগদ ধনো জব্দ কৰা হৈছে। **জালুকবাৰী** আৰক্ষীয়ে ষ্টেটিক ছাৰ্ভিলেন্স দলৰ সৈতে চলোৱা যৌথ অভিযানত কালি জালুকবাৰী উৰণ সেতুৰ সমীপত এজন মটৰচাইকেল আৰোহীৰ পৰা নগদ ২৬ লাখ টকা জব্দ কৰে। **তামুলপুৰ** জিলাৰ গোৰেশ্বৰৰ বাঙালীপাৰাত কালি নিশা ফ্লায়িং স্কোৱাডে চলোৱা এটা অভিযানত ৬ লাখ ১২ হাজাৰ ৫৫০ টকা জব্দ কৰা হয়। টংলাৰ পৰা তামুলপুৰ অভিমুখে আহি থকা এখন বাহনত তালাচী চলাওঁতে উপযুক্ত নথি-পত্ৰ অবিহনে অনা এই ধনখিনি জব্দ কৰা হয়।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ধুবুৰী জিলা প্ৰশাসনে পূৰ্ণগতিত আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰস্তুতি। নিৰ্বাচন সুশৃংখল আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে ধুবুৰী জিলা প্ৰশাসনে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যৰ পশ্চিম সীমান্তত অৱস্থিত ধুবুৰী জিলা ভৌগোলিকভাৱে এটা গুৰুত্বপূৰ্ণ অঞ্চল, যি পশ্চিমবংগ আৰু বাংলাদেশৰ সৈতে সংলগ্ন। মুঠ ২,৮৩৮ বৰ্গ কিলোমিটাৰ এলেকাজোৰা এই জিলাৰ জনসংখ্যা ২০২৬ চনত প্ৰায় ২০ লাখ অতিক্ৰম কৰাৰ সম্ভাৱনা প্ৰকাশ কৰা হৈছে। জিলাখনত মুঠ পাঁচটা বিধানসভা সমষ্টি আছে—গোলকগঞ্জ, গৌৰীপুৰ, ধুবুৰী, বিৰছিং জৰুৱা আৰু বিলাসীপাৰা। মুঠ ১২ লাখ ২০ হাজাৰ ৩৮৪ ভোটদাতাৰ ভিতৰত ৬ লাখ ২৯ হাজাৰ ৬৮৩ জন পুৰুষ, ৫ লাখ ৯০ হাজাৰ ৬৯৬ গৰাকী মহিলা আৰু ৫ জন তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটগ্ৰহণৰ বাবে মুঠ ১,৫৪৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে, যাৰ ভিতৰত ১৮৯টা নগৰ অঞ্চলত আৰু ১,৩৫৯ টা কেন্দ্ৰ গ্ৰাম্য অঞ্চলত অৱস্থিত। সমগ্ৰ জিলাখনক ৩৩টা জ'ন আৰু ১৬৪টা ছেক্টৰত বিভক্ত কৰা হৈছে। বিশেষ শ্ৰেণীৰ ভোটদাতাৰ ক্ষেত্ৰতো প্ৰশাসনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। জিলাখনৰ ৩,৮৬৫ জন বিশেষভাৱে সক্ষম, ২,১১৫ জন ছাৰ্ভিচ ভোটদাতা আৰু ৪,৮৯০ জন ৮৫ বছৰৰ ওপৰৰ ভোটদাতাৰ বাবে বিশেষ সুবিধা আৰু সহায়ৰ ব্যৱস্থা কৰা হৈছে।

নিৰাপত্তাৰ ক্ষেত্ৰতো প্ৰশাসনে কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। মুঠ ভোটকেন্দ্ৰসমূহৰ ভিতৰত ৬০৮টা 'গুৰুত্বপূৰ্ণ' আৰু ২৩১টা 'সংবেদনশীল' হিচাপে চিনাক্ত কৰা হৈছে।

ধুবুৰীৰ পৰা আকাশবাণীৰ সংবাদদাতা প্ৰদীপ সাহাৰ সৈতে মই নিৰুপমা বৰঠাকুৰ।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচন সম্পৰ্কে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰৰ নতুন এ টি চি টাৱাৰৰ সন্মিলন কক্ষত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ডিব্ৰুগড়, চাবুৱা-লাহোৱাল আৰু খোৱাং বিধানসভা সমষ্টিৰ ব্যয় পৰ্যবেক্ষক আদৰ্শ তিৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত কেন্দ্ৰীয় ঔদ্যোগিক সংৰক্ষিত বাহিনী, আয়কৰ বিভাগ, এছ জি এছ টি, বেংক, বিমান বন্দৰ কৰ্তৃপক্ষ আৰু ব্যয় নিৰীক্ষণ গোটৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত ব্যয় পৰ্যবেক্ষকগৰাকীয়ে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সকলোকে সৰ্বাধিক সতৰ্কতা অৱলম্বন কৰি সকলো দিশতে তীক্ষ্ণ নজৰ ৰাখিবলৈ আহ্বান জনায়।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি জৈন ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ উৎসৱ মহাবীৰ জয়ন্তী পালন কৰা হৈছে। ২৪ সংখ্যক তথা অন্তিমগৰাকী জৈন তীৰ্থংকৰ ভগৱানৰ এই জয়ন্তীৰ দিনটো জৈন সমাজৰ বাবে অন্যতম শুভ দিন বুলি গণ্য কৰা হয় আৰু তেওঁলোকৰ ধৰ্মীয় জীৱনত আজিৰ দিনটোৰ অপৰিসীম গুৰুত্ব আছে। ভগৱান মহাবীৰৰ অনুগামীসকলে প্ৰাৰ্থনা, প্ৰসাদ বিতৰণ আৰু ৰথৰ সৈতে শোভাযাত্ৰাত অংশগ্ৰহণ কৰি এই দিনটো উদযাপন কৰে। মহাবীৰ জয়ন্তীক উৎসৱৰ উপৰি কৰুণা, আত্মসংযম আৰু সত্যৰ প্ৰতি সমৰ্পিত এটা জীৱনৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাঞ্জলি ৰূপেও গণ্য কৰা হয়।

ধুবুৰী জিলাতো আজি মহাবীৰ জয়ন্তী পালন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ বিলাসীপাৰাত মহাবীৰ জৈনৰ প্ৰতিমূৰ্তি লৈ সমদল উলিয়ায়। ইয়াৰ লগতে প্ৰাৰ্থনা পৰ্বৰ আয়োজন কৰা হৈছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। ১২৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৰাজস্থান ৰয়েলছে ১২ অভাৰ আৰু এটা বলত দুটা উইকেট হেৰুৱাই সহজে বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ১৭টা বলত ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। দলটোৰ যশস্বী জয়ছোৱালে ৩৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। চেন্নাইৰ অনসূল কম্বোজে দুয়োটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি চেন্নাই ছুপাৰ কিংছে ১৯ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ জেমি অভাৰটনে সৰ্বাধিক ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ জোফ্ৰা আৰ্চাৰ, নাণ্ড্ৰে বাৰ্গাৰ আৰু ৰবীন্দ্ৰ জাদেজাই দুটাকৈ উইকেট লাভ কৰে। নাণ্ড্ৰে বাৰ্গাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি পঞ্জাৱৰ মুল্লানপুৰত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

মেৰা বুথ সবছে মজবুত কাৰ্যসূচীৰ অধীনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ ৫ লাখ বিজেপি কৰ্মকৰ্তাৰে বাৰ্তালাপ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা**, **দ্য টাইমছ অব ইণ্ডিয়া** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰকাশ কৰিছে।

নদুৱাৰ বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী সুনীল ছেত্ৰীক বিজেপি কৰ্মীয়ে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। একেটা বাতৰিৰে **দৈনিক অগ্ৰদূত** কাকতৰ শিৰোনাম- কংগ্ৰেছ প্ৰাৰ্থীক প্ৰাণঘাতী আক্ৰমণ।

নিৰ্বাচনী প্ৰচাৰৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি অসমলৈ আহিব। এয়া **দৈনিক অসম** কাকতৰ বাতৰি।

চৰকাৰী বিদ্যালয়ৰ শ্ৰেণীকোঠাত মধ্য গুৱাহাটীৰ বিজেপিৰ প্ৰাৰ্থী বিজয় গুপ্তাই নিৰ্বাচনী সভা অনুষ্ঠিত কৰাৰ অভিযোগ উত্থাপন হোৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিৰে **আমাৰ অসম** কাকতৰ শিৰোনাম- **মধ্য গুৱাহাটীত চৰকাৰী স্কুলত সভা পাতি ভোটভিক্ষা।**

ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দৈনিক শুনানি কালিৰে পৰা আৰম্ভ হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন আৰু দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো আন আন কাকতসমূহেও প্ৰকাশ কৰিছে।

ন্যায়াধীশৰ মূৰত পিষ্টল লগাই জুবিনক ন্যায় দিব নোৱাৰো বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে শীৰ্ষস্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০

ডিব্ৰুগড়ৰ হনুমান বক্স সূৰজ মল কানৈ মহাবিদ্যালয়ৰ বুৰঞ্জী আৰু দৰ্শন বিভাগৰ উদ্যোগত, ডিব্ৰুগড় সাহিত্য সভা, অসম মহিলা বিশ্ববিদ্যালয়, যোৰহাট আৰু ভাৰতীয় ইতিহাস সংকলন ৰাজ্যিক সমিতিৰ সহযোগত আজি মহাবিদ্যালয়খনত অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী আৰু দৰ্শন সন্মিলন অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধন কৰিব লগা অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ অজন্তা ৰাজকোঁৱৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাকে ধৰি দেশ-বিদেশৰ কেইবাগৰাকীও ইতিহাসবিদ, দাৰ্শনিক আৰু শিক্ষাবিদে অংশ ল'ব।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মিজোৰাম, অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**